Printed Pages—3

**3 (Sem–4) ASM M 1**

**2015**

# ASSAMESE

( Major )

Paper : 4.1

*Full Marks* : 75

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

১। অতি চমু উত্তৰ দিয়া : ১×১০=১০

(ক) ভাষাৰ নিম্নতম স্তৰৰ মৌলিক আৰু বাস্তৱ সামগ্ৰী কি?

(খ) অসমীয়া ভাষাত স্বৰবৰ্ণ কেইটা?

(গ) অসমীয়া ভাষাত লিখা প্ৰথম ব্যাকৰণখনৰ ৰচক কোন?

(ঘ) 'ব্যাকৰণ কৌমুদী' কাৰ ৰচনা?

(ঙ) ভাষাৰ ৰূপতাত্ত্বিক আলোচনাৰ মৌলিক একক কি?

(চ) 'বচন' অসমীয়া ভাষাত 'ব্যাকৰণগত বিষয়' হয়নে?

(ছ) *A Grammatical Notes on Assamese Language*ৰ ৰচক কোন?



Scanned with OKEN Scanner

(জ) ক্ৰিয়াৰ অসমাপিকাবাচক প্ৰকৃতি কি?

(ঝ) তৃতীয় পুৰুষৰ অধিক মান্যার্থক সর্বনাম কি?

(ঞ) পশ্চতালব্য উষ্ম ব্যঞ্জনধ্বনি কোনটো?

২। চমু উত্তৰ দিয়া : ২×৫=১০

(ক) গোলোক চন্দ্ৰ গোস্বামী ৰচিত দুখন ব্যাকৰণ পুথিৰ নাম লিখা।

(খ) অক্ষৰ আৰু আখৰৰ পাৰ্থক্য কি?

(গ) বৰ্ণলিপি বুলিলে কি বুজা?

(ঘ) প্ৰকৃতি কি?

(ঙ) মুক্তৰূপ কাক বোলে? উদাহৰণ দিয়া।

৩। যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ দিয়া : ৫×৩=১৫

(ক) গাঁথনিক ব্যাকৰণৰ (Structural Grammar) প্ৰবক্তা কোন? তেওঁৰ ব্যাকৰণ গ্ৰন্থখনৰ নাম কি? এই ব্যাকৰণৰ মূল কথা কি?

(খ) উপহিত বৰ্ণ কাক বোলে? উদাহৰণ দিয়া।

(গ) নিৰ্দিষ্টতাবাচক প্ৰত্যয় কি? ইয়াৰ ব্যৱহাৰৰ বিষয়ে এটি চমু টোকা লিখা।

(ঘ) পাচনি ধাতু কাক বোলে? উদাহৰণসহ আলোচনা কৰা।

(ঙ) পৰসৰ্গ কি? পৰসৰ্গৰ ব্যৱহাৰৰ বিষয়ে এটি চমু আলোচনা আগবঢ়োৱা।



৪। যি কোনো চাৰিটা প্ৰশ্নৰ উত্তৰ দিয়া : ১০×৪=৪০

(ক) ব্যাকৰণ কাক বোলে? ই কেইটা প্ৰকাৰৰ, কি কি? প্ৰত্যেক বিধৰ চমু আভাস দাঙি ধৰা।

(খ) অসমীয়া ভাষাত ৰচনা কৰা ব্যাকৰণসমূহৰ এক চমু খতিয়ান দাঙি ধৰা। ব্যাকৰণ ৰচনাত ভিন্ন মতাদৰ্শই শিক্ষাৰ্থীক কেনেদৰে বিপাণ্ডত পেলাব পাৰে, আলোচনা কৰা।

(গ) অসমীয়া ভাষাত বিশিষ্ট স্বৰধ্বনি কেইটা, কি কি? উচ্চাৰণৰ ধৰণ আৰু স্থান অনুসৰি সিহঁতৰ এখন তালিকা প্ৰস্তুত কৰা। এই স্বৰধ্বনিবোৰ বুজাবলৈ কি কি আখৰ ব্যৱহাৰ কৰা হয়, উল্লেখ কৰা।

(ঘ) অসমীয়া ভাষাত কাৰক আৰু শব্দবিভক্তিৰ ব্যৱহাৰৰ ওপৰত এটি নিবন্ধ প্ৰস্তুত কৰা।

(ঙ) অসমীয়াত ধাতু কেই প্ৰকাৰৰ, কি কি? যি কোনো এবিধ গৌণ ধাতুৰ বিষয়ে আলোচনা কৰা।

(চ) বাক্যৰ গঠনত পদৰ ব্যৱহাৰৰ বিভিন্ন দিশ ফঁহিয়াই দেখুওৱা।

★★★



Scanned with OKEN Scanner